# **REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-FEB-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি এদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। শ্ৰীমোদীয়ে প্ৰায় চাৰে ১০ বজাত ডিব্ৰুগড় জিলাৰ মৰাণত জৰুৰীকালীন উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাৱে বিকশাই তোলা ঘাইপথত অৱতৰণ কৰিব। প্ৰায় ১০০ কোটি টকা ব্যয়সাপেক্ষে এই অত্যাধুনিক জৰুৰীকালীন অৱতৰণক্ষেত্ৰ নিৰ্মাণ কৰি উলিওৱা হৈছে। এই জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰখন বায়ুসেনাৰ কাৰণে কৌশলগত বিষয়ত বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ উত্তৰ-পূবৰ এই প্ৰথমখন জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰৰ পৰা প্ৰধানমন্ত্ৰীয়ে যুদ্ধ বিমান, পৰিবহণ বিমান আৰু হেলিকপ্তাৰৰ এয়াৰ শ্ব' উপভোগ কৰিব। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব। প্ৰধানমন্ত্ৰীৰ মৰাণৰ কাৰ্যসূচী সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সাংবাদিকৰ আগত এইদৰে কয়--

**বাইট (চি এম)**

মৰাণৰ অনুষ্ঠান সামৰি প্ৰধানমন্ত্ৰীগৰাকী গুৱাহাটীলৈ আহিব। শ্ৰীমোদীয়ে গুৱাহাটীত ৫ হাজাৰ ৪৫০ কোটি টকাৰো অধিক ধন ব্যয়সাপেক্ষ ভালেমান প্ৰকল্প উদ্বোধন কৰিব। তেওঁ ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বাৰ্মা সেঁতুখন মুকলি কৰিব। ৩ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে এই ১ দশমিক ২-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলংখন নিৰ্মাণ কৰি উলিওৱা হৈছে। লাচিত ঘাটত আজি এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকিব। এই অনুষ্ঠানৰ পৰাই প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান-আই আই এমৰ অস্থায়ী চৌহদ উদ্বোধন কৰিব আৰু কেন্দ্ৰীয় পুঁজিৰে ক্ৰয় কৰা ১০০ খনৰো অধিক বৈদ্যুতিক বাছ ৰাজ্য চৰকাৰক অৰ্পণ কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে আমিনগাঁৱত হাইপাৰ স্কেল তথ্য কেন্দ্ৰ মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত বিজেপিৰ দলীয় কৰ্মীসকলৰ এখন বৈঠকতো অংশগ্ৰহণ কৰিব।

০০০০০০

অসম বিধানসভাৰ বাজেট অধিবেশন অহা ১৬ ফেব্ৰুৱাৰীত আৰম্ভ হ'ব। ৰাজ্যপালৰ ভাষণেৰে আৰম্ভ হ'বলগীয়া বাজেট অধিবেশন ১৯ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। অধিবেশনৰ দ্বিতীয় দিনা বিধানসভাত ২০২৬-২৭ বৰ্ষৰ অন্তৰ্বৰ্তী লেখানুদান বাজেট উত্থাপন কৰা হ'ব। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তী মন্ত্ৰী অজন্তা নেওগে লেখানুদান দাখিল কৰিব। বাজেট অধিৱেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰী দিয়া হ'ব। অহা মে'ত নতুন চৰকাৰে শপত লোৱাৰ পাছত পৰৱৰ্তী বাজেট দাখিল কৰা হ'ব। ১৭ ফেব্ৰুৱাৰীত লেখানুদান দাখিলৰ পাছতে ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব।

০০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাইলৈ মৰিগাঁও, নগাঁও আৰু হোজাই জিলাৰ মুঠ ৭ হাজাৰ ৯৬৪ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে নগাঁৰৰ নেহৰুবালীত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত

মন্ত্ৰী কেশৱ মহন্ত, পীযূষ হাজৰিকা আৰু কৃষ্ণেন্দু পালে অংশগ্ৰহণ কৰিব। কাইলৈ মৰিগাঁও জিলাৰ এহেজাৰ ৯৪৪ গৰাকী, নগাঁও জিলাৰ ৪ হাজাৰ ১৯৬ গৰাকী আৰু হোজাৰ জিলাৰ এহেজাৰ ৮২৪ গৰাকী সম্ভাব্য উদ্যোগীৰ মাজত ধনৰাশি বিতৰণ কৰা হ'ব। এই আঁচনিৰ অধীনত সাধাৰণ শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ ২ লাখ টকাকৈ আৰু বৃত্তিগত শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ ৫ লাখ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব।

০০০০০০

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই কালি নৱম অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটা প্ৰাপকসকলৰ নাম ঘোষণা কৰে। টিংখাঙত এখন সংবাদমেলযোগে মন্ত্ৰী শ্ৰী বৰাই ২০২০-২১ বৰ্ষৰ ৰাজ্যিক চলচ্চিত্ৰ বঁটা লাভ কৰা সাংস্কৃতিক কৰ্মী আৰু চলচ্চিত্ৰৰ নামসমূহ প্ৰকাশ কৰে। বেলকনিত ভগৱান ছবিখনে ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটা আৰু ছবিখনৰ পৰিচালক বিশ্বজিৎ বৰাই ব্ৰজেন বৰা শ্ৰেষ্ঠ পৰিচালক বঁটা লাভ কৰে। শব্দ নিশব্দ কোলাহল ছবিখনক ২০২১ বৰ্ষৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ হিচাপে ঘোষণা কৰা হয়। ধনজিৎ দাসে ২০২১ বৰ্ষৰ শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে। শংকু ৰাজকোঁৱৰ আৰু জুবলি বৰুৱাক ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ কণ্ঠশিল্পীৰ বঁটা আগবঢ়োৱা হৈছে। ৰাজদ্বীপে ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ গীতিকাৰৰ বঁটা লাভ কৰে। ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ অভিনেতাৰ বঁটা হৰিশ খান্না আৰু শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা মন্দাকিনী গোস্বামীয়ে লাভ কৰে। কাইলৈ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা গাম্ভিয্যপূৰ্ণ অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। এই বঁটাত থাকিব এখন প্ৰশস্তি পত্ৰৰ লগতে ৫০ হাজাৰ টকাৰ পৰা ২ লাখ টকাকৈ আৰ্থিক সাহাৰ্য্য। এই বঁটাৰ উপৰি ৰাজ্যৰ মুঠ ১০ টা ছবি গৃহলৈ ৫০ লাখ টকাকৈ আৰ্থিক অনুদান আগবঢ়োৱা হ'ব বুলি মন্ত্ৰী গৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

**সমাপ্ত**